তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
১৯/১৫/২০১৫

## ৰাইজৰ পদুলিত ৰাইজৰ চৰকাৰ কাৰ্যসূচী ২০১৫ চনৰ তৃতীয়লানিৰ আৰম্ভণি উপলক্ষে শুভেচ্ছাবাণী

পৰম শ্ৰদ্ধাভাজন ৰাইজ,

'ৰাইজৰ পদুলিত ৰাইজৰ চৰকাৰ' কাৰ্যসূচীৰ ২০১৫ চনৰ তৃতীয়লানিৰ শুভাৰম্ভৰ প্ৰাক্ক্ষণত মই অসমৰ সমূহ ৰাইজলৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আগন্তুক দীপাৱলীৰ ওলগ জনালোঁ।

'ৰাইজৰ পদুলিত ৰাইজৰ চৰকাৰ'ৰ প্ৰথমলানি আৰু দ্বিতীয়লানিৰ কাৰ্যসূচী যোৱা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত আৰু এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত সফলতাৰে ৰূপায়ণ কৰা হ'ল। অহা নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহত বি.টি.এ.ডি (BTAD) জিলা কেইখনৰ বাহিৰে অসমৰ আন জিলা কেইখনৰ সকলো গাঁও পঞ্চায়ত আৰু ভি.ডি.চি. এলেকা সমূহত ৰাইজৰ পদুলিত ৰাইজৰ চৰকাৰ কাৰ্যসূচীৰ অধীনত প্ৰথম আৰু দ্বিতীয়লানিৰ দৰেই তৃতীয়লানিটো কিছুমান শিবিৰৰ আয়োজন কৰা হৈছে।

তৃতীয়লানিৰ কাৰ্যসূচীত "খাদ্য উৎপাদনক' মূল বিষয়বস্তু হিচাপে লৈ কৃষি, খাদ্য আৰু পশুপালন, মীন, ফলমূলৰ বাগান আৰু জলসিঞ্চন বিভাগত ওপৰোক্ত বিষয়বস্তুৰ লগত জড়িত আঁচনিসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ লগতে এই আঁচনিসমূহ ৰূপায়ণৰ বাবে সৰ্বসাধাৰণ ৰাইজৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

ৰাজ্যখনৰ চাহ জনগোষ্ঠী, চৰ অঞ্চলৰ বাসিন্দা সকল, দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকল, বৃদ্ধ-বৃদ্ধা, গৃহহীন, শিশু আৰু মহিলাসকল, শাৰীৰিক ভাৱে বাধাগ্ৰস্ত লোকসকল, দৰিদ্ৰ কৃষক, অসংগঠিত শ্ৰমিক-বনুৱা আদি আৰ্থ-সামাজিক ভাৱে অনগ্ৰসৰ লোকসকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি আৰু সামাজিক সুৰক্ষা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিসমূহৰ সঠিক ৰূপায়ণত সৰ্বসাধাৰণ ৰাইজৰ সজাগতা আৰু সহযোগিতা অতি আৱশ্যক।

ৰাজ্য চৰকাৰে মহিলা সৱলীকৰণৰ বাবে যৎপৰোনাস্তি প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যখনৰ পঞ্চায়ত ব্যৱস্থাত ৫০ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত কৰা হৈছে। চৰকাৰী চাকৰিত ৩০ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হৈছে। বিদ্যালয় সমূহৰ পৰিচালনা সমিতি আৰু চিকিৎসালয় সমূহৰ পৰিচালনা সমিতিত মহিলাসকলৰ প্ৰতিনিধিত্ব নিশ্চিত কৰা হৈছে।

ৰাজ্যখনত মহিলাৰ আত্মসহায়ক গোটে এক নৱ জাগৰণৰ সৃষ্টি কৰিছে। মহিলাসকলৰ শিক্ষা, স্বাস্থ্য আৰু চিকিৎসাৰ ওপৰত বৰ্তমানৰ চৰকাৰখনে বিশেষ গুৰুত্ব আৰোপ কৰিছে। মহিলাসকলৰ ওপৰত নিৰ্যাতন আৰু 'ডাইনী হত্যা'ৰ বিৰুদ্ধে আমি সকলোৱে ঐক্যবদ্ধভাৱে আগবাঢ়ি অহা উচিত।

তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

সত্যমেৱ জয়তে

এই সুযোগতে শিশু শ্ৰমিক আৰু বাল্য বিবাহ আমাৰ সমাজৰ পৰা সম্পূৰ্ণভাৱে নিৰ্মূলকৰণৰ বাবে ৰাইজক আগবাঢ়ি আহিবলৈ মই বিনম্ৰ অনুৰোধ জনালোঁ।

২০১৫-১৬ বিত্তীয় বাজেটত ৰাজ্য চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ পৰিয়ালৰ বাবে ঘৰুৱা বিদ্যুৎ মাচুলৰ ৫০ শতাংশ ৰাজ সাহায্য, দৰিদ্ৰ সীমাৰেখাৰ তলৰ ১৮ বছৰ অনুৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া স্বাস্থ্য সেৱা আঁচনি, কেন্দ্ৰীয় চৰকাৰ বৃদ্ধ পেঞ্চন আঁচনিয়ে সামৰি নোলোৱা একলাখ লোকলৈ বৃদ্ধ পেঞ্চন, গৃহহীন লোকৰ বাবে একলাখ বাসগৃহ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য আঁচনি গ্ৰহণ কৰা হৈছে। তাৰোপৰি, মহিলা সৱলীকৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে প্ৰতিখন জিলা সদৰত মহিলাসকলৰ বাবে আৱাসিক ব্যৱস্থা, উপাৰ্জন সৃষ্টিকাৰী কাম-কাজৰ বাবে মহিলা আত্মসহায়ক গোটলৈ বিত্তীয় সাহায্য, প্ৰতিটো বিধানসভা সমষ্টি ২০০ গৰাকী বিধৱালৈ বিত্তীয় সাহায্য, মুখ্যমন্ত্ৰীৰ বিশেষ কাৰ্যসূচীৰ অধীনত দুখীয়া বোৱনীসকলৰ মাজত সূতা, কম্বল বিতৰণ আদি আঁচনি হাতত লোৱা হৈছে।

ৰাইজৰ পদুলিত ৰাইজৰ চৰকাৰ কাৰ্যসূচীৰ অধীনত প্ৰথমলানিত ৰাইজৰ পৰা প্ৰায় ১.৯০ লাখ আৰু দ্বিতীয়লানিত প্ৰায় ১.০৭ লাখ ওজৰ-আপত্তি পোৱা হৈছিল। সেই ওজৰ-আপত্তিসমূহ খৰতকীয়া নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ওজৰ-আপত্তি সমূহৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল, সেই বিশেষ অনলাইন (online) পদ্ধতিৰে জানিব পৰাৰ উপৰিও আবেদনকাৰীসকলক লিখিত ভাৱে জনোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তৃতীয়লানিৰ কাৰ্যসূচীত অনুষ্ঠিত হ'বলগীয়া শিবিৰ সমূহত ৰাইজে এই বিষয়েও জানিব পাৰিব। আগৰ লেখীয়াকৈ বৰ্তমান তৃতীয়লানিৰ কাৰ্যসূচীতো ৰাইজে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। এই ওজৰ-আপত্তিসমূহ খৰতকীয়া নিষ্পত্তিকৰণৰ বাবে যথাযথ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এইবাৰো নিষ্পত্তিকৰণ সম্পৰ্কে অনলাইন পদ্ধতিৰ জৰিয়তে আৰু লিখিতভাৱে ৰাইজে জানিব পাৰিব।

শ্ৰদ্ধেয় ৰাইজ, আপোনালোকৰ সহযোগ অবিহনে আমি গ্ৰহণ কৰা আঁচনিসমূহ যথাযথ ভাৱে ৰূপায়ণ কৰা অসম্ভৱ। আহক, আমি সকলোৱে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ভেদা-ভেদ পাহৰি চৰকাৰৰ আঁচনি সমূহ সাফল্যমণ্ডিত কৰিবলৈ আগবাঢ়ি যাওঁহক।

ধন্যবাদ -

(তৰুণ গগৈ)